লৌহিত্য সাহিত্য সেতু: সহযোগী বিদ্বানৰ দ্বাৰা পুনৰীক্ষিত অৰ্ধবাৰ্ষিক দ্বিভাষিক ই-আলোচনী
বৰ্ষ: ২; সংখ্যা: ২; জানুৱাৰী-জুন, ২০২১

# উপেক্ষিতৰ জীৱন আৰু জয়কান্তনৰ 'উন্নাইপ'ল অ'ৰুৱন'

✍ অনামিকা ৰাজবংশী

উপেক্ষিত শব্দটোৰ ইংৰাজী প্ৰতিশব্দ হৈছে 'Subaltern'। এই শব্দটো পোনতে ইটালীৰ এণ্টনিঅ'গ্ৰামছীয়ে ব্যৱহাৰ কৰিছিল। কমিউনিষ্ট দলৰ এজন সক্ৰিয় কৰ্মী গ্ৰামছীৰ এই ধাৰণাটো ১৯৮২ চনত জনপ্ৰিয় হৈ পৰে। তেওঁ এই শব্দটোক এখন সমাজৰ সৰ্বহাৰালোকসকলৰ ক্ষেত্ৰত ব্যৱহাৰ কৰাত গুৰুত্ব আৰোপ কৰিছিল। লেটিন ভাষাত 'Sub' মানে হ'ল 'তলত' আৰু 'Alter' মানে 'অন্য লোক'। অৰ্থাৎ 'Subaltern' মানে হ'ল 'আনৰ তলতীয়া'। সাধাৰণতে উপেক্ষিত ধাৰণাটোৱে সম্পূৰ্ণৰূপে আনৰ তলৰ নাইবা তলৰ খাপৰ লোকসকলক বুজায়। অৱশ্যে, তেওঁলোক যিকোনো শ্ৰেণী, ধৰ্ম নাইবা লিংগৰ হ'ব পাৰে। গায়ত্ৰী চক্ৰৱৰ্তী স্পীৱাকে, এই শব্দটোক ঔপনিৱেশিক সময়ৰ শোষিত, খাটি-খোৱা লোক আৰু সেইসকল নাৰীৰ ক্ষেত্ৰত আৰোপ কৰিছিল যিয়ে কোনোক্ষেত্ৰতে প্ৰতিবাদ কৰিব নোৱাৰে। ৰণজিত গুহই ১৯৭০ চনত 'ছাব্অলটাৰ্ণ ষ্টাডিজ'ৰ নেতৃত্ব দিছিল। তেওঁ এই শব্দটোক শ্ৰেণী, জাতি, বয়স আৰু লিংগভেদে ব্যৱহাৰ কৰিছিল। লাহে লাহে এই ধাৰণাটোৱে উত্তৰ ঔপনিৱেশিকতাবাদৰ বিকাশৰ সময়ছোৱাত ভাৰতবৰ্ষৰ উপেক্ষিত লোকসকলৰ বিষয়ে অধিক তথ্য পোহৰলৈ আনি দিয়ে। সংক্ষেপতে বুজিবলৈ হ'লে, আমি যিখন সমাজত বসবাস কৰো এই সমাজখনত বৰ্গ অনুযায়ী লোকসকলক শ্ৰেণীবিভাজন কৰা হয় আৰু দেখা যায় যে নিম্ন শ্ৰেণীটো প্ৰায়ে উচ্চ বৰ্গৰ লোকসকলৰ দ্বাৰা অনাদৃত হয়। উচ্চ শ্ৰেণীৰ লোকসকলে নিম্ন শ্ৰেণীৰ প্ৰতি কৰা শোষণ, মালিকৰ দ্বাৰা শ্ৰমিকৰ প্ৰতি শোষণ-নিৰ্যাতন, মহিলাসকলৰ প্ৰতি পুৰুষৰ অনাদৃত মনোভাৱ এনে ধাৰণাসমূহক উপেক্ষিত শব্দটোৱে সামৰি লয়। 'হেমকোষ' অভিধান অনুসৰি উপেক্ষিত শব্দটোৰ অৰ্থ হ'ল- অনাদৃত, সন্মান নোপোৱা [disregarded, neglected, over looked, ignored]। ইংৰাজী সাহিত্যত ভি. এচ. নাইপল,

চলমান ৰুচদি, চেতন ভগত, মুল্কৰাজ আনন্দ, খুছৱন্ত সিং, অৰুন্ধতী ৰয় আদি সাহিত্যিকৰ ৰচনাত এই ধাৰণাৰ প্ৰকাশ ঘটা দেখা যায় । ইয়াৰ লগতে ভাৰতবৰ্ষৰ বিভিন্ন প্ৰাদেশিক ভাষাতো কম-বেছি পৰিমাণে উপেক্ষিত ধাৰণাৰ প্ৰভাৱ পৰিছে। তাৰ ভিতৰত হিন্দী সাহিত্যৰ প্ৰেমচন্দ, অসমীয়া সাহিত্যত অৰূপা পটংগীয়া কলিতা, তামিল সাহিত্যত জয়কান্থনৰ ৰচনাত এনে ছবি পৰিলক্ষিত হয়।

জয়কান্থন [১৯৩৪-২০১৫] তামিল সাহিত্যৰ এজন অন্যতম জনপ্ৰিয় সাহিত্যিক । জে. কে. নামে খ্যাত এই লোকজন কেৱল তামিল সাহিত্যৰেই নহয়; ভাৰতীয় সাহিত্যৰ এগৰাকী অতি উল্লেখনীয় ব্যক্তি। জয়কান্থন একেৰাহে এজন লেখক, সাংবাদিক, চিত্ৰ-নিৰ্মাতা, সমালোচক আৰু সমাজকৰ্মী আছিল। জীৱিত কালত তেওঁ প্ৰায় ৪০খন মান উপন্যাস, ২০০ টা চুটিগল্প, দুখনকৈ আত্মজীৱনী লিখিছিল। তেওঁৰ কেইখনমান উল্লেখনীয় উপন্যাস হ'ল-কইৰিলনগু, য়াৰুক্কাক অলুদান, উন্নাইপ'ল অ'ৰুৱন, বিৰাম্মোপাধেচাম, পিৰাল্যাম, কৰুনাইয়িনাল অল্লা, ৰিসিমুলম, য়োচিক্ কুম ৰেলয়িল আদি । ১৯৬৪ চনত জয়কান্থনে উন্নাইপ'ল অ'ৰুৱন নামৰ উপন্যাসখন প্ৰকাশ কৰি উলিয়ায় । উন্নাইপ'ল অ'ৰুৱনৰ অসমীয়া অৰ্থ হ'ল 'তোমাৰ নিচিনা এজন'। এই উপন্যাসখন 'Love and Loss'নামেৰে ইংৰাজী ভাষাত কে. এচ. সুব্ৰমণিয়নে অনুবাদ কৰিছে। ১৯৬৪ চনত এই উপন্যাসখনৰ আধাৰত একে নামেৰে চিনেমা এখন নিৰ্মাণ কৰে। এই চিনেমাখনৰ মূল বিষয়বস্তু হ'ল বস্তি অঞ্চলৰ দুৰ্দশাভৰা জীৱন-সংগ্ৰাম। ১৯৫৫ চনত এই ছবিখনে ৰাষ্ট্ৰপতিৰ দ্বাৰা বিশেষ মেধাৰ তৃতীয় শ্ৰেষ্ঠ পুৰস্কাৰ লাভ কৰিবলৈও সক্ষম হৈছিল।

জয়কান্থনৰ লেখাসমূহ প্ৰকৃত অৰ্থত সমাজৰ মধ্যবিত্ত শ্ৰেণীৰ জীৱন-গাথা বুলি ক'ব পাৰি। সাধাৰণ মানুহৰ সুখ-দুখৰ বৰ্ণনা তেওঁৰ সাহিত্যৰ মূল উপজীব্য। এই উপন্যাসখনৰ মূল কাহিনী হ'ল সাধাৰণ বস্তি অঞ্চলৰ জীৱন-দুৰ্দশাৰ ছবি। স্বাধীনতাৰ ঠিক পাছৰ মাদ্ৰাজৰ সাধাৰণ বস্তি অঞ্চলৰ জীৱন ছবিক উপন্যাসখনত পোন্ধৰটা অধ্যায়ৰ মাজেদি দেখুৱাবলৈ যত্ন কৰা হৈছে। এই দুৰ্দশাগ্ৰস্ত জীৱন কাহিনীক ঔপন্যাসিকে থংগাম নামৰ মূল চৰিত্ৰটিৰে আগবঢ়াইছে নিছে। থূলমূলকৈ থংগামৰ কাহিনী এনেধৰণৰ- থংগাম এজনী শ্ৰমিক তিৰোতা। তাই বাস কৰে এটি বস্তি অঞ্চলত। যিখন ঠাইত জীৱন-যাপনৰ বাবে প্ৰয়োজনীয় কোনো

ধৰণৰ ব্যৱস্থা উপলব্ধ নাই। পোন্ধৰ বছৰৰ পৰাই নিজৰ পেট-প্ৰৱৰ্তাবৰ বাবে তাই মজুৰি কৰিবলৈ লয়। তাইৰ অকলশৰীয়া অৱস্থাত এজন লোকে সহায়ৰ হাত আগবঢ়াবলৈ আহি অবৈধ মাতৃত্বৰ বোজা জাপি দিয়ে আৰু শেষত পলায়ন কৰে। তাৰ পাছত থংগামৰ জীৱনলৈ চিট্টিৰ আগমন ঘটে। চিট্টি তাইৰ প্ৰথম পুৰ সন্তানৰ নাম। বৃদ্ধা আন্নাম্মাৰ সহায়ত থংগামে চিট্টিক ডাঙৰ দীঘল কৰে। পিছে মজুৰিৰ পইচাৰে থংগামে চিট্টিক উপযুক্ত পৰিমাণৰ সুবিধা দিবলৈ অসমৰ্থ হৈ পৰে। পিতৃ পৰিচয়হীন চিট্টিয়ে ডাঙৰ হৈ অ'ত-ত'ত অনাই বনাই ঘূৰি-ফুৰিবলৈ ধৰে। আনকি, চিট্টিয়ে দুষ্ট সংগত পৰি আনে আধা খাই পেলাই দিয়া বিড়িৰ টুকুৰাবোৰ বিচাৰি আনি বিড়ি হোপাৰ নিচিনা কাৰ্য দুষ্কাৰ্যকৰিবলৈও লয়। সেই অঞ্চলতে ডৰাইকান্নু নামৰ অন্য এজন লোক আছিল; যিয়ে চিট্টিক বুজনি দিছিল। তেখেতে পিতৃক দিনৰ ভাগত আইচক্ৰিম বিক্ৰী কৰি ৰাতিৰ ভাগত বিদ্যালয়লৈ যোৱাৰ সুবিধা কৰি দিয়ে। এনেদৰেই কিশোৰ অৱস্থাতেই চিট্টি দায়িত্বশীল হৈ উঠে। লাহে লাহে কাহিনীয়ে নতুন মোড় ল'বলৈ আৰম্ভ কৰে। ৰোগাক্ৰান্ত মণিক্কম নামৰ লোক এজনক বাটতে পাই থংগামে তেওঁৰ শুশ্ৰূষা কৰিবলৈ আনি নিজৰ ঘৰতে আশ্ৰয় দিয়ে। সুস্থ হৈ উঠাৰ পাছত মণিক্কম আৰু থংগামৰ মাজত প্ৰেমৰ সূত্ৰপাত হয়। মণিক্কম আৰু থংগামৰ সম্পৰ্কক চিট্টিয়ে সহজভাৱে মানি ল'ব নোৱাৰাৰ ফলত মাতৃ-পুত্ৰৰ মাজত সংঘাতৰ সৃষ্টি হয়। যাৰ ফলত সি মাতৃসংগৰ পৰা আঁতৰি আহি কান্নিয়াপ্পন নিচিনা দুষ্ট ল'ৰাৰ সংগ লয়। যিয়ে পঢ়া-শুনা নকৰি দিনৰ দিনটো কেৱল নিচাগ্ৰস্ত হৈ থাকিবহে খোজে। থংগামে পুত্ৰক বুজনি দিবলৈ যত্ন কৰে যদিও সি সেই কথা বুজিবলৈ যত্ন নকৰে। ইফালে মণিক্কমৰ লগত প্ৰেমৰ পৰিণতি স্বৰূপে থংগাম পুনৰবাৰ অন্তঃসত্ত্বা হয়। এই কথা শুনি চিট্টি মাকৰ প্ৰতি বিৰক্ত হৈ পৰে আৰু মাকক এৰি বহুদূৰলৈ গুচি যায়। চিট্টি আঁতৰি যোৱাৰ পাছত থংগাম মানসিকভাৱে ভাগি পৰে। থংগামৰ অৱস্থা দেখি মণিক্কমো অনুতপ্ত হয়। থংগাম আৰু চিট্টিৰ সম্পৰ্ক ভাল হওঁক বুলি ভাৱিয়েই মণিক্কমে তাইক অন্তঃসত্ত্বা অৱস্থাতেই এৰি থৈ গুচি যায়। পুনৰ থংগাম অকলশৰীয়া হৈ পৰে। মণিক্কম আৰু চিট্টিৰ দ্বাৰা অৱহেলিত হৈ পৰা থংগামে এইবাৰ নিজৰ পেট প্ৰৱৰ্তাবৰ বাবে অন্তঃসত্ত্বা অৱস্থাতেই মজুৰি কৰিবলৈ যায়। এনে অৱস্থাতেই এদিন শিলত পিছল খাই থংগামৰ মৃত্যু হয়। মৃত্যুৰ সময়ত থংগামে এজনী কন্যা সন্তান

প্ৰসৱ কৰে। ডৰাইকান্নুৱে চিট্টিক পুনৰ বুজনি দিয়ে; যাৰ ফলত চিট্টিয়ে সেই অকণমানি কেঁচুৱাটোৰ দায়িত্ব মূৰ পাতি লয়। ডৰাইকান্নুৰ মাতৃৰ নাম অনুসৰিয়েই চিট্টিয়ে নিজৰ ভনীয়েকৰ নাম ৰাখে স্বৰ্ণম। পুৰণি দিনৰ জটিলতাবোৰক আওঁকাণ কৰি চিট্টিয়ে নিজৰ ভনীয়েকৰ ভৱিষ্যতৰ হকে নিজকে পৰিবৰ্তন কৰিবলৈকো সাঁজু হৈ নতুন দিনৰ বাবে প্ৰস্তুতিৰ যো-জা কৰে। এনেদৰে উপন্যাসৰ কাহিনীৰ সফল পৰিসমাপ্তি ঘটিছে।

জয়কান্থনে অত্যন্ত সংবেদনশীল ৰূপত চৰিত্ৰসমূহ অংকন কৰিবলৈ সক্ষম হৈছে। ঠায়ে ঠায়ে চৰিত্ৰসমূহৰ মানসিক দ্বন্দ্ব, উচ্চ আৰু নিম্ন শ্ৰেণীৰ ভাৱ-অনুভূতিৰ বৰ্ণনাই উপন্যাসৰ কাহিনীভাগক পাঠকৰ হৃদয়ৰ ওচৰ চপাই আনিছে। উপন্যাসখনৰ মূল কথাটোৱেই হৈছে শ্ৰমিক শ্ৰেণীৰ লোকৰ জীৱন-সংগ্ৰাম। মালিক শ্ৰেণীয়ে কিদৰে প্ৰতিটো মুহূৰ্ততে শ্ৰমিকসকলক বঞ্চনা কৰে তাৰ জীয়া ছবি উপন্যাসখনৰ মাজেদি ফুটি উঠিছে। নিজৰ আৰ্থিক-অনাটনৰ পৰা মুক্ত হ'বৰ নিমিত্তে দিনে নিশাই খাটি-খোৱা শ্ৰেণীটোৱে প্ৰতিটো মুহূৰ্ততে মালিকৰ দ্বাৰা অৱহেলিত হয়। আনকি, কঠোৰ পৰিশ্ৰমৰ পাছতো লাভ কৰা সামান্য ধনেৰে তেওঁলোকে নিজৰ মৌলিক প্ৰয়োজনসমূহকো পূৰণ কৰিব নোৱাৰে। অন্ধকাৰ সৰু-সৰু জুপুৰীবোৰে তেওঁলোকক ৰ'দ-বতাহ-বৰষুণৰ পৰা ৰক্ষা কৰিবলৈ অসমৰ্থ হয়। দুবেলা দুমুঠি অন্ন যোগাৰ কৰিব নোৱাৰা এইসকল লোকৰ পৰিয়ালৰ সদস্যই শিক্ষাগ্ৰহণৰ সুবিধাৰ পৰাও বঞ্চিত হয়। যাৰ বাবে এই লোকসকল শিক্ষিত হোৱাৰ কোনো সুযোগ নাথাকে। শিক্ষাৰ অভাৱ, আৰ্থিক-দৈন্যতা এইবোৰ কাৰণতেই এনে লোকসকল প্ৰজন্মৰ পিছত প্ৰজন্ম ধৰি তেনেদৰেই আনৰ দ্বাৰা উপেক্ষিত হ'বলগীয়াত পৰে।

উপন্যাসখনৰ মুখ্য চৰিত্ৰ থংগাম মালিক, সমাজ আৰু পুৰুষৰ দ্বাৰা অনাদৃত হোৱা দেখা গৈছে। মজুৰিৰ নামত মালিকৰ পৰা উপৰ্যুপৰি কৰ্কথনা আৰু অনাদৰ লাভ কৰিছে। থংগামৰ নিচিনা শ্ৰমিকসকলক মালিকসকলে সামান্য পৰিমাণৰ মজুৰিহে দিয়ে। যিয়ে তাইৰ প্ৰয়োজন পুৰাব নোৱাৰে। ৰ'দ-বৰষুণৰ পৰা ৰক্ষা কৰিবলৈ কেৱল নামতহে এটা জুপুৰী আছে। আনকি গা ধুৱৰ বাবেও থকা বাথৰুমতো পৰিত্যক্ত। মুঠতে সকলোফালৰ পৰা সেই ঠাইখন অস্বাস্থ্যকৰ। আকৌ, নাৰী পুৰুষৰ দ্বাৰা কিদৰে উপেক্ষিত হয় তাৰো বাস্তৱ ছবি থংগাম চৰিত্ৰটিৰ মাজেদি দেখা যায়। কিশোৰী অৱস্থাত অকলশৰীয়া থংগামক

এজন লোকে সহায় কৰাৰ চলেৰে অবৈধ মাতৃত্বৰ বোজা জাপি দি পলায়ন কৰিছে। যাৰ বাবে থংগামে অবৈধ সন্তানৰ মাতৃ হৈ সমাজৰ দ্বাৰা অনাদৰৰ পাত্ৰ হ'বলগীয়াত পৰিছে। আমাৰ সমাজত নাৰী কেৱল পুৰুষৰ দ্বাৰাই নহয়, নাৰীৰ দ্বাৰা অৱহেলিত হোৱা দেখা যায়। এলামেলু নামৰ তিৰোতা এগৰাকীয়ে থংগামৰ প্ৰতি বেয়া ব্যৱহাৰ কৰাও উপন্যাসখনত দেখা যায়। উপাৰ্জন আৰু ভৱিষ্যতৰ সুৰক্ষাৰ স্বাৰ্থত থংগামে মণিক্কমৰ প্ৰতি আকৃষ্ট হৈছে যদিও পুনৰ প্ৰতাৰণাৰ বলি হৈছে। আনকি তাইৰ নিজৰ সন্তানেও তাইৰ মানসিক-দ্বন্দ্বক বুজিবলৈ অসমৰ্থ হৈছে। সন্তানৰ প্ৰতি থকা স্নেহ আৰু ভালপোৱাৰ বাবে তাই পদে পদে উজুতি খাবলগীয়াত পৰিছে। অত্যাধিক মানসিক হেঁচা থকাৰ পাছতো কেৱল পেটত থকা সন্তানটিৰ বাবে তাই ৰুগীয়া দেহেৰে মজুৰি কৰিবলৈ গৈছে। দেহাই তেনে কষ্ট মানি ল'ব নোৱাৰাৰ ফলত শেষত গৈ তাইৰ স্বাস্থ্যৰ অৱনতি ঘটিছে আৰু এদিন শিলত পিছল খাই পৰি মৃত্যুক আকোৱালি ল'বলগীয়াত পৰিছে।

উপন্যাসখনৰ আন এটি চৰিত্ৰ হৈছে এলামেলু। সন্তান জন্ম দিব নোৱাৰাৰ বাবে এলামেলু নিজৰ স্বামীৰ দ্বাৰা তিৰস্কৃত হৈছে। আনহাতে, বৃদ্ধা আন্নাম্মাই চাউলৰ গুড়িৰে প্ৰস্তুত কৰা পিঠা বিক্ৰী কৰি জীৱন-নিৰ্বাহ কৰিছে। জীৱনৰ শেষ স্তৰত আহি উপস্থিত হোৱা বৃদ্ধাগৰাকীয়ে কেৱল পেটৰ ভোকৰ তাড়নাত সেই কাৰ্যৰে জীৱন নিৰ্বাহ কৰি আছে। আপোন বুলিবলৈ নাইবা বৃদ্ধাৱস্থাত সহায় আগবঢ়াবলৈ তাইৰ ওচৰত কোনো নাই। উপন্যাসখনৰ আন এটি চৰিত্ৰ হ'ল নীলাকুট্টি। কেৱল দৈনন্দিন অভাৱৰ বাবে নীলাকুট্টিৰ দৰে কিশোৰীসকলক নিজৰ মাকে দেহ ব্যৱসায়ত লিপ্ত কৰাইছে। যাৰ ফলত তাইৰ দৰে অনেকেই কিশোৰ অৱস্থাতেই যৌন ৰোগৰ কৱলত পৰিছে।

উপন্যাসখনত উপেক্ষিত শ্ৰেণীৰ ঘৰৰ ল'ৰা-ছোৱালীৰ জীৱনক সজীৱ ৰূপত বৰ্ণনা কৰা হৈছে। দৰিদ্ৰতাই কোঙা কৰা পৰিয়ালবোৰত কঠোৰ শাৰিৰীক শ্ৰম আৰু তাৰ ফলত লাভ কৰা সামান্য মজুৰিয়েই যথেষ্ট। কিশোৰ-কিশোৰীসকলক এনে অভাৱ-অনাটনে জুৰুলা কৰাৰ লগতে তেওঁলোক শিক্ষা গ্ৰহণ কৰিবলৈ অসমৰ্থ। দৰিদ্ৰতাই এই শিশুসকলক বয়সৰ আগতেই মানসিকভাৱে পৰিপক্ক কৰি তোলাৰ উপক্ৰম হৈছে। জীয়াই থকাৰ তাড়নাত তেওঁলোকে কেৱল শাৰিৰীকভাৱে কষ্ট কৰিবলৈ, মজদুৰি কৰিবলৈহে

শিকিছে। তাৰ মাজতে কিছুমানে আকৌ বেয়া সংগত লগ লাগিছে। কান্নিয়াপ্পন নামৰ কিশোৰজনে চিনেমা হলত টিকট বিক্ৰী কৰিছে আকৌ কেতিয়াবা গৈ প্ৰাপ্তবয়স্কৰ বাবে নিৰ্মিত চিনেমা চাবলৈ গৈ খেদাও খাইছে।

উপন্যাসখন পঢ়িলে সমাজৰ দ্বাৰা উপেক্ষিতলোকসকলৰ জীৱনক উপলব্ধি কৰি চাব পাৰি। মনকৰিবলগীয়া যে, এই লোকসকলৰ মাজেৰে জীৱনক গভীৰভাৱে ভালপোৱাৰ ধাৰণা প্ৰকাশিত হৈছে । চৰিত্ৰসমূহে কোনো কাৰণতেই থমকি ৰ'ব খোজা নাই । অভাৱ-অনাটন, অন্যায়-নিৰ্যাতন তথা অস্বাস্থ্যকৰ পৰিৱেশৰ মাজতো তেওঁলোকৰ জীয়াই থাকিবৰ বাবে সংঘৰ্ষ অটুট আছে । চাবলৈ গ'লে, সভ্যসমাজে সহজে ঢুকি নোপোৱাকৈ বহু নিলগত তেওঁলোকৰ এখন নিজা পৃথিৱী আছে । য'ত সংঘৰ্ষৰ পাছতো আছে স্বাভিমান, আত্মনিৰ্ভৰশীলতা আৰু জীৱন জীয়াৰ হাবিয়াস । থংগামে বাৰে বাৰে অৱহেলিত হোৱাৰ পাছতো নিজৰ জীৱনটো শেষ কৰি পেলাব খোজা নাই; বৰং তাই আনৰ দ্বাৰা উপেক্ষিত হোৱাৰ পাছতো জীৱনৰ হকে সংগ্ৰাম অব্যাহত ৰাখিছে । অৱশ্যে, উপন্যাসখনৰ শেষৰফালে উপেক্ষিত লোকসকলৰ উদাৰ মনোভাৱৰ লগতে ইতিবাচক পৰিসমাপ্তিৰে সমাজ-চেতনাৰ আভাস পোৱা গৈছে। সমাজৰ এই শ্ৰেণীৰ লোকসকল জীৱনৰ প্ৰতিটো মুহূৰ্ততে আনৰ দ্বাৰা অনাদৃত হ'লেও তেওঁলোকে নিজে আনৰ প্ৰতি ভাল মনোভাৱ ৰাখে । তাৰেই এটি উদাহৰণ হ'ল চিট্টি । চিট্টিয়ে মাতৃৰ প্ৰতি থকা ঘৃণাৰ পাছতো ভনীয়েকৰ জন্মত সুখ অনুভৱ কৰিছে। নিজৰ জীৱনতকৈ পৃথকভাৱে তাইৰ ভৱিষ্যতৰ সপোন দেখিছে। ভনীয়েকৰ নিৰাপত্তাৰ বাবে নিজক দায়িত্বশীল ব্যক্তিলৈ ৰূপান্তৰ কৰিছে। আনকি, তেজ-মঙহৰ সম্পৰ্ক নাথাকিলেও ভনীয়েকৰ প্ৰতি তাৰ কোনো আক্ষেপ নাই।

এই উপেক্ষিত লোকসকল সমাজৰ এক গুৰুত্বপূৰ্ণ অংশ। তেওঁলোকৰ অবিহনে আমাৰ অত্যন্ত সূক্ষ্ম অথচ প্ৰয়োজনীয় কাৰ্যসমূহ কাৰ্যকৰী হোৱাত সমস্যাৰ সৃষ্টি হ'ব পাৰে। শৈক্ষিক, সামাজিক, অৰ্থনৈতিকভাৱে পিছপৰা হ'লেও এই লোকসকল স্থবিৰ হৈ পৰিব নোখোজে। এনেদৰে উন্নাইপ'ল অ'ৰুৱন উপন্যাসখন বস্তি অঞ্চলৰ শিশু-নাৰী আৰু মালিক-শ্ৰমিক শ্ৰেণীৰ জীৱন সংগ্ৰামৰ জীৱন্ত দলিল স্বৰূপ। জয়কান্থনৰ মতে, সমাজখনক কেতিয়াও উচ্চ-নিম্ন শ্ৰেণীৰ দ্বাৰা বিভাজিত কৰিব নোৱাৰি। তেওঁলোক এটাই আনটোৰ পৰিপূৰক।

তেওঁ এনে উদাৰ দৃষ্টিভংগীৰেই উপন্যাসখন পাঠকৰ অধিক মনোগ্ৰাহী ৰূপত তুলি ধৰিছে।

**যোগাযোগৰ ঠিকনা**

গৱেষক

আধুনিক ভাৰতীয় ভাষা আৰু সাহিত্য অধ্যয়ন বিভাগ

গুৱাহাটী বিশ্ববিদ্যালয়

ই-মেইল: rajbonshianamika@gmail.com